IJCRT.ORG ISSN : 2320-2882
INTERNATIONAL JOURNAL OF CREATIVE RESEARCH THOUGHTS (IJCRT)
An International Open Access, Peer-reviewed, Refereed Journal

# হৰেন শইকীয়াৰ পূৰ্ণাঙ্গ নাটক ‘সত্ৰযজ্ঞ’- এটি বিশ্লেষণাত্মক আলোচনা

প্ৰস্তুতকৰ্তা –

যোগানন্দ গগৈ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
চিলাপথাৰ টাউন মহাবিদ্যালয়

সূচীপত্ৰ

সাৰংশ পত্ৰ
০.০০ অৱতৰণিকা
০.০১ বিষয়ৰ পৰিচয়
০.০২ অধ্যয়নৰ গুৰুত্ব
০.০৩ অধ্যয়নৰ উদ্দেশ্য
০.০৪ অধ্যয়নৰ পৰিসৰ
০.০৫ অধ্যয়নৰ পদ্ধতি
০.০৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা
০.০৭ প্ৰাক্ কল্পনা

১.০০ সত্ৰযজ্ঞ নাটকৰ বিষয়বস্তু

২.০০ মূল বিষয়ৰ বিশ্লেষণ
২.০১ সামাজিক মূল্যবোধ
২.০২ ধৰ্মীয় দিশৰ প্ৰতিফলন
২.০৩ সত্ৰযজ্ঞ নাটকত সাংস্কৃতিক দিশ

৩.০০ সামাজিক সংঘাত

৪.০০ ফলাফল

৫.০০ সামগ্ৰিক সিদ্ধান্ত

৬.০০ সামৰণি

অন্তটীকা

সহায়ক গ্ৰন্থপঞ্জী

বিষয় - হৰেন শইকীয়াৰ পূৰ্ণাঙ্গ নাটক 'সত্ৰযজ্ঞ'- এটি বিশ্লেষণাত্মক আলোচনা

সাৰংশ পত্ৰ -

বৰ্তমান অসমীয়া নাট্য সাহিত্য জগতৰ এটি পৰিচিত নাম হৰেন শইকীয়া। হৰেন শইকীয়াই 'আবেলিৰ ৰং' , 'এজাক পক্ষীৰ কলৰব' , 'দেওশাল' , 'ভূমিপুত্ৰ' , 'দেৱদসী' , 'সত্ৰযজ্ঞ' , 'মৈদাম' আৰু 'মাংৰি' এই নখন পূৰ্ণাঙ্গ নাট ৰচনা কৰি অসমীয়া নাট্য সাহিত্যলৈ মূল্যৱান বৰঙণি আগবঢ়াইছে। তেওঁ ৰৰ খন একাংকিকা নাট, ছম্ন খন বাটৰ নাট, এখন ৰেডিঅ' নাট, এখন গল্প নাট, এখন নৃত্য-নাটিকা, ছম্ন খন চিত্ৰনাট্য ৰচনা কৰিছে। নাটকৰ বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত নাট্যকাৰগৰাকীয়ে বিশেষ দক্ষতা প্ৰকাশ কৰিছে। হৰেন শইকীয়াৰ নাটকৰ বিষয়বস্তুত এখন সংস্কাৰকামী সমাজ গঢ়িতোলাৰ গভীৰ আকাংক্ষা পৰিস্ফুট হোৱা দেখা যায়।
হৰেন শইকীয়াৰ এখনি উল্লেখযোগ্য পূৰ্ণাঙ্গ নাটক হ' ল- 'সত্ৰযজ্ঞ' । আমাৰ গৱেষণাধৰ্মী এই আলোচনা পত্ৰখনিৰ আলোচ্য বিষয় হৈছে- "হৰেন শইকীয়াৰ পূৰ্ণাঙ্গ নাটক 'সত্ৰযজ্ঞ' - এটি বিশ্লেষণাত্মক আলোচনা।" ২০১৯ চনত ৰচনা কৰা 'সত্ৰযজ্ঞ' পূৰ্ণাঙ্গ নাটকখনি জ্ম টা দৃশ্যৰে সজ্জিত কৰিছে। নাটকখনিত নাট্যকাৰে অসমৰ সত্ৰসমূহৰ দৈনন্দিন ৰীতি-নীতি, সাংস্কৃতিক পৰম্পৰা প্ৰতিফলিত কৰিছে। ইয়াৰ লগতে সত্ৰৰ কাষতে থকা চাহ বাগানীয়া সমাজৰ জীৱন গাঁথা, শোষণ-নিষ্পেষণৰ কাহিনী বৰ্ণিত হৈছে। সত্ৰযজ্ঞ নাটকৰ জৰিয়তে নাট্যকাৰে চাহ বাগানৰ বনুৱাসকলৰ জীৱন চিত্ৰ, সত্ৰ দৈন্দিন জীৱনৰ ৰীতি-নীতি, ধৰ্মীয় পৰম্পৰা, সামাজিক দিশসমূহ দাঙি ধৰিছে। আমাৰ এই অধ্যয়নত সত্ৰসমূহৰ সামাজিক দায়বদ্ধতা, নৱবৈষ্ণৱ ধৰ্মৰ সাম্যবাদৰ আদৰ্শ আৰু চাহ বাগানীয়া লোকসকলৰ সামাজিক উত্তৰণ, বৈষ্ণৱভাবাদৰ্শৰ প্ৰতি জাতি-জনজাতিসমূহৰ মনোভাৱ সম্পৰ্কে বিতংভাৱে আলোচনা দাঙি ধৰাই হৈছে গৱেষণা কৰ্মৰ মূল লক্ষ্য।

গৱেষণা পত্ৰখনি প্ৰস্তুত কৰোঁতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনাৰ প্ৰয়াস কৰা হৈছে।

বীজ শব্দ - সত্ৰ, সত্ৰযজ্ঞ, চাহ বাগানীয়া, হাৰিয়া, ধৰ্ম, শোষণ, সাম্যবাদ।

০.০০ অৱতৰণিকা ঃ

০.০১ বিষয়ৰ পৰিচয় ঃ

সাম্প্ৰতিক সময়ৰ অসমীয়া নাট্য সাহিত্য জগতত গৱেষণাৰ্ধমী নাটক সৃষ্টিৰে পাঠক-দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা এগৰাকী নাট্যকাৰ হৰেন শইকীয়া। তেখেতে বিষয়বস্তুৰ গভীৰ অধ্যয়ন আৰু তথ্যৰ আধাৰত নাটকসমূহ ৰচনা কৰে। নাটকৰ বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত নাট্যকাৰগৰাকীয়ে বিশেষ দক্ষতা প্ৰকাশ কৰিছে। হৰেন শইকীয়াৰ নাটকৰ বিষয়বস্তুত এখন সংস্কাৰকামী সমাজ গঢ়িতোলাৰ গভীৰ আকাংক্ষা পৰিস্ফট হোৱা দেখা যায়। নাট্যকাৰ হৰেন শইকীয়া এগৰাকী সুদক্ষ পৰিচালক আৰু অভিনেতাও।

২০১৯ চনত ৰচনা কৰা 'সত্ৰযজ্ঞ' হৰেন শইকীয়াৰ এখনি উল্লেখযোগ্য পূৰ্ণাঙ্গ নাটক। 'সত্ৰযজ্ঞ' নাটকখনত মুঠ জ্বটা দৃশ্য আছে। নাটকখনৰ যোগেদি নাট্যকাৰে সমাজত এক গণতান্ত্ৰিক মূল্যবোধ প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছে। শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰা নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত অসমৰ সত্ৰসমূহৰ অৱদান অপৰিসীম। শংকৰদেৱে সমাজৰ উচ্চ-নীচৰ ভেদা-ভেদ দূৰ কৰিবৰ উদ্দেশ্যে সকলো শ্ৰেণীৰ লোকক নিজৰ ধৰ্মত স্থান দিছিল। কিন্তু পৰৱৰ্তীকালত সত্ৰৰ এই পৰম্পৰা আৰু আদৰ্শলৈ সীমাৱদ্ধতা নহাকৈ থকা নাছিল। সত্ৰযজ্ঞ নাটকখনৰ মূল চৰিত্ৰ দয়ানন্দ। পিতৃ-মাতৃৰ পৰিচয়হীন দয়ানন্দ ডাঙৰ-দীঘল হৈছে সোণজিৰি সত্ৰত সত্ৰীয়া পৰিৱেশৰ মাজত। দয়ানন্দ উচ্চ শিক্ষিত, উদাৰ আৰু সমাজ সচেতন যুৱক। সমাজৰ অনৈতিক কাৰ্যকলাপ নিৰ্মূল কৰি সমাজখন একত্ৰিত কৰাৰ সপোন দেখে দয়ানন্দই। দয়ানন্দৰ দৃষ্টিত ধৰ্মৰ পৰিধি যথেষ্ট বহল। দয়ানন্দৰ বাবে বিপদত মানুহক সহায় কৰাই প্ৰকৃত ধৰ্ম। উচ্চ-নীচৰ ভেদাভেদ আঁতৰাই শংকৰদেৱে যি সমাজৰ ৰূপান্তৰৰ আৰ্হি ৰচনা কৰি সমাজক ন-দৃষ্টি দান কৰিছিল সেই একেই আদৰ্শৰে দয়ানন্দয়ো সমাজখন আগুৱাই নিব বিচাৰে। বাগানীয়া মানুহখিনিৰ মাজত বাঢ়ি অহা অমানবীয় কাৰ্য ৰোধ কৰি তেওঁলোকক এটা সংস্কাৰপূৰ্ণ জীৱন দিয়াৰ চেষ্টাত দয়ানন্দই বাগানৰ মাজত বাগানীয়া মানুহখিনিক লৈ সোণজিৰি সত্ৰৰ শাখা হিচাপে 'সত্ৰযজ্ঞ' নামেৰে এটি নামঘৰ প্ৰতিষ্ঠা কৰিছে। বাগানীয়া মানুহখিনিৰ হাতৰ পৰশত প্ৰাণপাই উঠা 'সত্ৰযজ্ঞ' দয়ানন্দৰ লগতে চানিকা, ৰাউদী, চাৰকুহঁতৰ বাবে যেন সম্প্ৰীতিৰ বাৰ্তবাহক। জাতি-জনজাতি, পাহাৰ-ভৈয়াম একত্ৰিত কৰি শংকৰদেৱে যি বিশাল অসমীয়া জাতি গঢ়ি তোলাৰ উদ্দেশ্যেৰে ধৰ্ম প্ৰচাৰ কৰিছিল, সেই উদ্দেশ্যকে নাট্যকাৰে নাটকখনত প্ৰকাশ কৰিছে। আমাৰ এই আলোচনাত সত্ৰযজ্ঞ নাটকখনত অসমৰ সত্ৰ অনুষ্ঠানসমূহৰ পৰম্পৰা, ৰীতি-নীতি আৰু সামাজিক দায়বদ্ধতা, চাহ বাগানীয়া সমাজ জীৱনৰ প্ৰতিফলন আৰু পৰিৱৰ্তনৰ দিশ, ধৰ্মীয় দিশ, সমাজত প্ৰচলিত

অন্ধবিশ্বাস, কুসংস্কাৰ, বৰ্ণবৈষম্যহীন সমাজ গঠনৰ আদৰ্শ কিদৰে প্ৰতিফলিত হৈছে সেই বিষয়ে অধ্যয়ন কৰা হ' ব।

**০.০২ অধ্যয়নৰ গুৰুত্ব** ঃ

অসমীয়া সংস্কৃতি আৰু সমাজ জীৱনৰ সৈতে একাকাৰ হোৱা চাহ বাগানীয়াসকলৰ সমাজতান্ত্ৰিক স্বৰূপ জানিবৰ বাবে বিষয়টি অধ্যয়নৰ গুৰুত্ব আছে।

- চাহ বাগানীয়াসকলৰ মাজত নামঘৰ প্ৰতিষ্ঠা আৰু নৱ-বৈষ্ণৱ পৰম্পৰা প্ৰৱেশে সমাজখনলৈ অনা পৰিৱৰ্তনৰ বিভিন্ন দিশ জানিবলৈ বিষয়টি অধ্যয়নৰ প্ৰয়োজন।
- নৱ বৈষ্ণৱবাদক হাড়ে-হিমজুৱে শ্ৰদ্ধা কৰা জনজাতিসকলে সত্ৰসমূহৰ নিচেই কাষতে থাকিও ধৰ্মান্তকৰণৰ জৰিয়তে মূল সঁংস্কৃতিৰ পৰ আঁতৰি অন্য ধৰ্মত দীক্ষা লোৱা সম্পৰ্কে জানিবলৈ বিষয়টি অধ্যয়নৰ প্ৰয়োজনীয়তা আছে।
- চাহ বাগানীয়া মানুহখিনিক বাগানৰ মালিক পক্ষই কেনেদৰে চক্ৰান্তৰে শোষণ আৰু দমন কৰি আহিছে সেই বিষয়ে জানিবলৈ বিষয়টি অধ্যয়নৰ গুৰুত্ব আছে।

**০.০৩ অধ্যয়নৰ উদ্দেশ্য** ঃ

অধ্যয়নৰ বাবে নিৰ্বাচিত বিষয়টোৰ উদ্দেশ্যসমূহ হৈছে -

- সত্ৰসমূহৰ সামাজিক দায়বদ্ধতা আৰু নীতি-নিয়ম, পৰম্পৰাসমূহ বিচাৰ কৰা।
- নাট্যকাৰে দয়ানন্দ চৰিত্ৰৰ মাজেৰে সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰ, শোষণ, সামাজিক অবিচাৰ নিৰ্মূল কৰি বাগানৰ বনুৱাখিনিক লগত লৈ কেনেদৰে শান্তিপূৰ্ণ সমাজ গঢ়িব বিচাৰিছে এই দিশসমূহ বিচাৰ কৰা।

**০.০৪ অধ্যয়নৰ পৰিসৰ** ঃ

আমাৰ এই অধ্যয়নত হৰেন শইকীয়াৰ 'সত্ৰযজ্ঞ' নাটকখনৰ কাহিনী বস্তুৰ আভাস দি সামাজিক মূল্যবোধৰ প্ৰেক্ষাপটত বিচাৰ কৰা হ' ব। সমাজৰ বৰবিহ সদৃশ ৰাগীয়াল দ্ৰব্যই চাহ বাগানীয়াসকলৰ মাজত সৃষ্টি কৰা কু-প্ৰভাৱৰ দিশসমূহ এই আলোচনাত সামৰি লোৱা হ' ব। সত্ৰ আৰু চাহ বাগানৰ সাংস্কৃতিক পৰম্পৰাও এই অধ্যয়নৰ পৰিসৰত সামৰিব বিচৰা হৈছে।

**০.০৫ অধ্যয়নৰ পদ্ধতি** ঃ

আমাৰ এই আলোচনা পত্ৰখনিৰ বিষয়টো অধ্যয়নৰ ক্ষেত্ৰত মূলতঃ বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। নাটকখনৰ কাহিনীৰ পটভূমি, সংলাপ, সত্ৰৰ

পৰম্পৰা, চাহ বাগানীয়া সমাজৰ চিত্ৰ আদি উল্লেখৰ ক্ষেত্ৰত বৰ্ণনামূলক পদ্ধতিৰ সহায় লোৱা হৈছে। আনহাতে সামাজিক নাটক হিচাপে সত্ৰযজ্ঞত প্ৰতিফলিত সত্ৰৰ সাংস্কৃতিৰ পৰম্পৰা, বাগানত নামঘৰ প্ৰতিষ্ঠাই বাগানীয়া লোকসকলৰ মাজত নৱ বৈষ্ণৱ ধৰ্ম প্ৰসাৰতা লাভ কৰা, মানুহৰ মাজত বৈষম্যবাদৰ নিৰ্মূল সেই সম্পৰ্কে আলোচনা প্ৰসংগত বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**০.০৬ নাট্যকাৰৰ পৰিচয় ঃ**

'সত্ৰযজ্ঞ' নাটকৰ নাট্যকাৰ হৰেন শইকীয়াৰ জন্ম ১৭ নবেম্বৰ, ১৯৬২ চনত। লক্ষীমপুৰ জিলাৰ বিহপুৰীয়া তালচিবাৰীত জন্ম গ্ৰহণ কৰা হৰেন শইকীয়াই ১৯৮১ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা বৰবালি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উৰ্ত্তীণ হয়। ১৯৮৩ চনত নৰ্থ লক্ষীমপুৰ মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক আৰু ৰজ্ঝজ্জ্ব6 চনত স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৮৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা গণিত বিভাগত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি ১৯৯০ চনত নৰ্থ বেংক কলেজ, ঘিলামৰাত প্ৰবক্তা হিচাপে যোগদান কৰে। ২০০৯ চনত মাদুৰাই কামৰাজ বিশ্ববিদ্যালয়ৰ পৰা এম.ফিল্ড ডিগ্ৰী লাভ কৰে। ২০২৫ চনত সহযোগী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা হৰেন শইকীয়া একাধাৰে নাট্যকাৰ, অভিনেতা, পৰিচালক, বোলছবি নিৰ্মাতা, চিত্ৰনাট্যকাৰ, সাহিত্যিক আৰু অসমীয়া কৃষ্টি-সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত ব্যক্তি। হৰেন শইকীয়াৰ উল্লেখযোগ্য নাটকসমূহ হ' ল- মোলোক বৰুৱা (১৯৯১), আবেলিৰ ৰং (১৯৯২), জোনাকী বুঢ়ীৰ ঘৰ (১৯৯৩), দেৱদাসী (২০০৬), এজাক পক্ষীৰ কলৰৱ (২০১০), দেওশাল (২০১১), ভূমিপুত্ৰ (২০১১), স্তব্ধ সময় (২০১২), চক্ৰবেহু (২০১৩), ওৱাফলীয়া পাইক (২০১৪), পানী (২০১৪), জতুগৃহ (২০১৬), দেৱতাৰ গ্ৰাস (২০১৬), স্বাধীনতা সংগ্ৰাম (২০১৬), সমদল (২০১৮), সত্ৰযজ্ঞ (২০১৯), মৈদাম (২০২২) আৰু মাংৰি (২০২৩)। হৰেন শইকীয়াৰ চিত্ৰনাট্যসমূহ হ' ল- গান্ধীবস্তি (২০০৫, বোলছবি), নৰ্থ বেংক (২০১৪, বোলছবি), ঘৰ জোঁৱাই (২০১৪, দূৰদৰ্শনৰ ধাৰাবাহিক), ঢোল (২০০৯)।

**হৰেন শইকীয়াই লাভ কৰা বিভিন্ন বঁটা আৰু সন্মান** ঃ 'নৰ্থ বেংক' ছবিখনৰ বাবে ২০১৫ চনত ডিব্ৰুগড়ত অনুষ্ঠিত প্ৰাগ্ চিনে এৱাৰ্ডৰ শ্ৰেষ্ঠ ছবিৰ সন্মান লাভ, ২০১৩ চনত 'দেৱদাসী' নাটকখনৰ পাণ্ডুলিপিৰ বাবে 'জ্যোতিৰূপা' বঁটা, সদৌ অসম সূৰ্য বৰা সোঁৱৰণী একাংকিকা নাট প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ পাণ্ডুলিপি বঁটা, দেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষ অনুষ্ঠানৰ পূৰ্ণাংগ নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতাত শ্ৰেষ্ঠ পাণ্ডুলিপি নাটক- 'মাংৰি' আৰু ইয়াৰ বাদেও সদৌ অসম ভিত্তিত আয়োজিত পদ্মনাথ গোহাঞিবৰুৱা সোঁৱৰণী নাট প্ৰতিযোগিতা, যোগেশ্বৰ বৰুৱা সোঁৱৰণী নাট পূৰ্ণাংগ নাট প্ৰতিযোগিতা, সূৰ্য বৰা সোঁৱৰণী নাট প্ৰতিযোগিতা, পৰাগ দাস সোঁৱৰণী নাট প্ৰতিযোগিতা, চতিয়া বিষ্ণু ৰাভা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতা আদি অনেক নাট প্ৰতিযোগিতাত তেওঁ শ্ৰেষ্ঠ অভিনেতা, শ্ৰেষ্ঠ নাট্যকাৰ আৰু শ্ৰেষ্ঠ পৰিচালকৰ সন্মান পাবলৈ সক্ষম হৈছে। ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় নাট সমাৰোহত প্ৰদৰ্শিত নাটক ঃ ৰাজ্যিক নাট সমাৰোহ মুখা, বৰপেটা

‘দেওশাল’ , বৰ্ণম বিশ্বনাথ চাৰিআলি মৃনালী শৰ্মা সোঁৱৰণী ৰাষ্ট্ৰীয় নাট সমাৰোহত ‘সত্ৰযজ্ঞ’ , নাটঘৰ মাজুলী নাট মহোৎসৱত ‘ওৱাফলীয়া পাইক’ ।

**০.০৭ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

‘সত্ৰযজ্ঞ’ নাটকখনৰ সম্পৰ্কত ইতিপূৰ্বে বিভিন্ন গ্ৰন্থ, আলোচনীত বিশদ আলোচনা হৈছে বুলি ক’ ব নোৱাৰি। ২০২৫ চনত হৰেন শইকীয়া অৱসৰী সম্বৰ্ধনা উপলক্ষে যোগানন্দ গগৈ আৰু ডঙ্খ নৰেন চন্দ্ৰ দাসৰ সম্পাদনাত ইংগিত, ঘিলামৰাই ‘নাট্যপ্ৰজ্ঞা হৰেন শইকীয়া নাটক আৰু ব্যক্তিত্ব’ নামেৰে এখন গ্ৰন্থ প্ৰকাশ কৰে। গ্ৰন্থখনত মুঠ ৩৭ টা প্ৰৱন্ধত বিভিন্ন জনে হৰেন শইকীয়াৰ ব্যক্তিত্ব আৰু নাটকৰ মূল্যায়ন কৰিছে। গ্ৰন্থখনত ড০ জাহ্নৱী বৰুৱাই হৰেন শইকীয়াৰ ‘সত্ৰযজ্ঞ’ নাটকৰ এক আলোকপাত প্ৰৱন্ধটিত আলোচ্য নাটকখনৰ সামগ্ৰিক বিশ্লেষণ আগবঢ়াইছে। আন প্ৰবন্ধবোৰ হ’ ল- ড০ কেশৱ হাজৰিকাৰ ‘নাটকৰ সামাজিক দায়বদ্ধতা আৰু হৰেন শইকীয়াৰ নাটক’ , মিতালী মহন্তৰ ‘দেৱদাসী, দেওশাল আৰু অন্যান্য- অসমীয়া নাট্য সাহিত্যত এক অনুপম সংযোজন’ , বলীন বৰগোহাঞিৰ ‘হৰেন শইকীয়াঃ এক উজ্জ্বল নাট্য ব্যক্তিত্ব’ আদি লেখাৰ মাজেৰে হৰেন শইকীয়াৰ সৃষ্টি আৰু নাট্যকৰ্মৰ বিভিন্ন দিশ পৰিস্ফুট হৈছে।

**০.০৮ প্ৰাক্‌কল্পনা ঃ**

(ক) চাহবাগানীয়া লোকসকলে শোষণ-নিষ্পেষণৰ মুক্তি বিচাৰি শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ সাম্যবাদৰ আদৰ্শক গ্ৰহণ কৰাটো প্ৰতীয়মান হ’ ব।

(খ) বিষয়টিৰ গভীৰ অধ্যয়নে সত্ৰসমূহৰ সামাজিক দায়বদ্ধতাৰ দিশসমূহ প্ৰকট কৰি শান্তিপূৰ্ণ সমাজ গঠনত সহায়ক হ’ ব।

(খ) সত্ৰসমূহৰ প্ৰচেষ্টাত চাহ বাগানীয়া লোকসকলক অসমীয়া জাতীয় জীৱনৰ অধিক ওচৰ চপাই আনিব পৰা বিষয়টো প্ৰতীয়মান হ’ ব।

**১.০০ সত্ৰযজ্ঞ নাটকৰ বিষয়বস্তু ঃ**

ব্ৰহ্মপুত্ৰ গাতে লাগি থকা সোণজিৰি সত্ৰ। সত্ৰৰ গোসাঁই প্ৰভু ঈশ্বৰৰ নিৰ্দেশতে সত্ৰখন পৰিচালিত হয়। তেওঁৰ বিনা অনুমতিত কোনোৱে একো কৰিব নোৱাৰে। সত্ৰৰ বুঢ়াভকত, বাপুকণ, গোপী, সদানন্দ, বায়নকে আদি কৰি সত্ৰৰ কেৱলীয়া ভকতসকলে গোসাঁইৰ বাক্যনুসাৰে চলি আহিছে। তেওঁলোক গোসাঁইৰ পৰম ভক্ত। সত্ৰৰ ভকতসকলৰ মাজৰে দয়ানন্দ সত্ৰ কিছু পৃথক। সত্ৰৰ বুঢ়াভকতে দয়ানন্দক পাঁচ বছৰমান বয়সত ৰাস্তাৰ কাষত অকলশৰে কান্দি থকাত পাই সত্ৰলৈ আনিছিল। উচ্চ শিক্ষাৰে শিক্ষিত কৰি চ্ঙ্খ বছৰে দয়ানন্দক সত্ৰ ভকতৰ নীতি-নিয়মেৰে সমৃদ্ধ কৰি ভকতৰ শাৰীত ৰাখিছে। সমাজ হিতৈষী দয়ানন্দ কেৱল সত্ৰৰ চাৰিসীমাৰ ভিতৰতে আবদ্ধ হৈ থাকিব নিবিচাৰে। সোণজিৰি সত্ৰৰ কাষৰ চাহ বাগানৰ শ্ৰমিক ছোৱালী ৰাউদী দয়ানন্দৰ সহপাঠী। ৰাউদী, চাগি, ছানিকা, আঁকি, বিজলীহঁতৰ খবৰ দয়ানন্দই ৰাখে। সিহঁতৰ দুখ-দুৰ্দশা, অত্যাচাৰ-শোষণৰ সময়ত দয়ানন্দ সিহঁতৰ কাষত থিয় দিয়ে। বাগানৰ সহজ-সৰল মানুহখিনিক মালিকপক্ষই হাৰিয়া,

সন্তীয়া বিষাক্ত মদ খোৱাই মতলীয়া কৰি সিহঁতক শোষণ কৰিব বিচাৰে। বাগানৰ 'মাৰিয়া' নামৰ ল' ৰাটোৱে বাগানৰ মেনেজাৰৰ নিৰ্দেশত কাম কৰে। বাগানৰ বিষাক্ত হাৰিয়া খাই শ শ লোক মৃত্যুমুখত পৰে। ৰাউদীয়ে বাপেককো হেৰুৱায়। গোটেই বাগানখন শ্মশান সদৃশ হৈ পৰে। কান্দোনৰ ৰোল উঠে। তেওঁলোকৰ বাবে দয়ানন্দ ত্ৰাণকৰ্তা, সি গৈ জিলাৰ পৰা ডাক্তৰ আনি মানুহখিনিক সহায় কৰে। বাগানৰ ঝুমুৰ নচাসকলক দয়ানন্দই চালিনাচ, জুমুৰা নাচকে আদি কৰি সকলোবোৰ নৃত্য শিকোৱাৰ মাজেৰে আৰু নামঘৰৰ দৈনন্দিন কৰ্মৰ বাবে উপযোগী কৰি তেওঁলোকৰ মাজৰ পৰা অন্ধবিশ্বাস, কু-সংস্কাৰ আঁতৰাবলৈ যত্ন কৰে। বনুৱাসকলক একতাৰ ডোলেৰে বান্ধি এক শৃংখলাবদ্ধ জীৱন-যাপনৰ বাবে দয়ানন্দই বাগানৰ মাজত এটি নামঘৰ প্ৰতিষ্ঠা কৰে। নামঘৰটো প্ৰতিষ্ঠাৰ জৰিয়তে দয়ানন্দই বাগানীয়া মানুহখিনিৰ মাজত শংকৰদেৱৰ আদৰ্শ আৰু নৱ বৈষ্ণৱ আন্দোলনক গতিশীল কৰিবলৈ প্ৰয়াস কৰিছে। বাতৰি কাকত, দূৰদৰ্শনত দয়ানন্দ সত্ৰই শিৰোনাম অধিকাৰ কৰে বাগানত 'সত্ৰযজ্ঞ' নামেৰে নামঘৰ প্ৰতিষ্ঠাকাৰী হিচাপে। ইয়াৰ সমান্তৰালভাৱে দয়ানন্দৰ জন্মৰ ৰহস্য উদ্‌ঘাটনৰ কাহিনীয়ে বিশেষ চৰ্চা লাভ কৰে। দয়ানন্দৰ ডি.এন.এ. পৰীক্ষাই নিশ্চিত কৰে যে তেওঁ নামনিৰ কোনোবা নীচকূলৰ সন্তান। এই খবৰ প্ৰচাৰৰ লগে লগে সোণজিৰি সত্ৰ ভেটি কঁপি উঠিছে। গোসাঁই প্ৰভুৱে সত্ৰৰ ভকতবৃন্দক সত্ৰক শুচি কৰিবলৈ নিদেৰ্শ দিয়ে। বুঢ়াভকত আৰু দয়ানন্দক সোণজিৰি সত্ৰ ত্যাগ কৰিবলৈ গোসাঁই প্ৰভুৱে নিৰ্দেশ দিয়ে। দয়ানন্দই প্ৰকৃত উদ্দেশ্য সাৰোগত কৰি সকলোৰে বাবে মুক্ত 'সত্ৰযজ্ঞ' আসনত বহে আৰু ভকতবৃন্দ তেওঁৰ আদৰ্শত আকৃষ্ট হয়।

**২.০০ মূল বিষয়ৰ বিশ্লেষণ** ঃ

বিভিন্ন জাতি-জনগোষ্ঠীৰ সম¡¤য়ত গঢ়লোৱা বৃহত্তৰ অসমীয়া সমাজখনৰ চাহ বাগানীয়াসকল হৈছে এক অভিন্ন অংশ। হৰেন শইকীয়াই 'সত্ৰযজ্ঞ' নাটকখনি ৰচনা কৰোঁতে কাহিনীটোত দুখন সমাজৰ পটভূমি গ্ৰহণ কৰিছে। এখন সত্ৰ সমাজ আৰু আনখন চাহ বাগানৰ সমাজ। নাটকখনত চাহ বাগানৰ বনুৱাসকল সমাজ জীৱন তথা সাংস্কৃতিক দিশৰ চিত্ৰও ফুটি উঠিছে। 'সত্ৰযজ্ঞ' নাটকত চাহ বাগানৰ বনুৱা জীৱনৰ চিত্ৰ, চাহ বাগানৰ লগত সাঙুৰখাই থকা সিহঁতৰ জীৱনলিপি চৰিত্ৰ বিশেষৰ মাজেৰে সুন্দৰভাৱে ৰূপায়িত হৈছে। ঠিক সেইদৰে সত্ৰ দৈনন্দিন জীৱনৰ ৰীতি-নীতি, ভকতসকলে পালন কৰা আচাৰ, নীতি, সাংস্কৃতিক পৰম্পৰা আদি 'সত্ৰযজ্ঞ' নাটকত নাট্যকাৰে তুলি ধৰিছে।

**২.০১ সামাজিক মূল্যবোধ** ঃ 'সত্ৰযজ্ঞ' নাটকৰ জৰিয়তে নাট্যকাৰে সমাজত এক গণতান্ত্ৰিক মূল্যবোধ প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছে। নাটকখন গভীৰ দৰ্শনপুষ্ট আৰু সামাজিক মূল্যবোধ সম্বলিত। নাটকখনৰ আৰম্ভণিতে অসুৰ আৰু দেৱতাৰ সমুদ্ৰ মন্থনৰ কাহিনী অৱতাৰণাৰে সমাজৰ শোষণ, দমনৰ দিশটো প্ৰতিফলিত কৰিছে। সমাজৰ শোষণ,

নিষ্পেষণ অৱসান ঘটাই সমাজৰ বীজ ৰোপণ কৰিব বিচাৰিছে। শংকৰদেৱৰ মহান আদৰ্শত গঢ় লৈ উঠিছিল সত্ৰসমূহ। শংকৰী আদৰ্শত জাতিভেদ, উচ্চ-নীচ, ধনী-দুখীয়া আদিৰ মাজত কোনো প্ৰভেদ নাছিল। কিন্তু সত্ৰসমূহে অসমৰ সকলো জাতি-জনগোষ্ঠীক সমানে আকোৱালি ল' ব পৰা নাই। সত্ৰৰ কাষতে থকা অনকে জনগোষ্ঠীয়ে অসমত শেহতীয়াকৈ প্ৰসাৰ হোৱা খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰিছে। সত্ৰসমূহে মানবীয় চেতনাতকৈ প্ৰজ্ঞা সাধনাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰাৰ কাৰণেই এনে হ' বলৈ পালে বুলি নাট্যকাৰে ক' ব বিচাৰিছে। সত্ৰৰ গোসাঁইৰ মতে সমাজত সকলোৰে বাবে কাম পৃথকে পৃথকে থাকে। তেওঁ কৈছে - '

'সমাজৰ প্ৰত্যেকজন ব্যক্তিৰ কামৰ ভাগ থাকে। সকলোৱে নিজৰ নিজৰ কামবোৰ নিয়াৰিকৈ কৰি গ' লে সমাজখন সুকলমে চলি থাকে। ধৰ্মচৰ্চা কৰা, প্ৰজ্ঞাৰ সাধনা কৰা, বৈষ্ণৱ ধৰ্মৰ সাৰমৰ্ম মানুহৰ মাজত বিলাই যোৱাই হৈছে আমাৰ প্ৰধান কৰ্ম আৰু ধৰ্ম।" ১

নাট্যকাৰে চাতুৰ্যতাৰে ধৰ্মৰ মূল অৰ্থক সৰ্বসাধাৰণ ৰাইজে গ্ৰহণ কৰিব পৰাকৈ দয়ানন্দৰ মুখেৰে এনেদৰে কোৱাইছে-

"সত্ৰ আৱেষ্টনীৰ ভিতৰত থাকিয়ে আমি কাম কৰিব লাগিব তাৰ কোনো যুক্তি নাই। সত্ৰ ভিতৰত বহি বহি কেৱল প্ৰজ্ঞাৰ সাধনা কৰাই ধৰ্ম নহয়। ধৰ্ম কৰ্তব্য, বিপদত পৰাজনক সহায় কৰাটো ধৰ্ম। ধৰ্ম মানৱতা, ধৰ্ম সদ্ভাৱনা।..." ২

সত্ৰৰ গোসাঁইসকলে এখন পৰিশীলিত আৰু আধ্যাত্মিক চেতনাসম্পন্ন সমাজ গঢ় দিয়াত অহোপুৰুষাৰ্থ কৰি আহিছে। কিন্তু ক' ৰবাত হয়তো সুৰুঙা ৰৈ গৈছে, যাৰ বাবে কোনো কোনো জনজাতীয়লোকে সত্ৰক আপোন কৰি ল' ব পৰা নাই। দয়ানন্দই চাহ বাগানৰ বনুৱাখিনিক সামাজিকভাৱে আগুৱাই নিবলৈ প্ৰয়াস কৰিছে। জাতি-ধৰ্ম, বৰ্ণ-বৈষম্যক নাশ কৰি গুৰুজনাৰ আদৰ্শৰে এখন সাম্যবাদী সমাজ গঠনৰ মানসিকতাৰে আগবঢ়া দয়ানন্দই বহুতো বাধা পাইছে যদিও হতাশ হোৱা নাই। নাট্যকাৰে দয়ানন্দৰ জৰিয়তে সমাজলৈ পৰিৱৰ্তন আনিব বিচাৰে। বুঢ়াভকতে সত্ৰত প্ৰচলিত পৰম্পৰাগত নীতি-নিয়ম বদলাব নোৱাৰি বুলি কোৱাত দয়ানন্দই কৈছে -

"যিবোৰ নীতি-নিয়মে আমাৰ দেহ আৰু মনৰ সুচিতাক সৱল কৰে তাত মোৰ কোনো আপত্তি নাই। কিন্তু যিবোৰে সমাজৰ এচাম মানুহৰ অন্তৰত আঘাত কৰে সেইবোৰ বদলাব লাগিব। পৰম্পৰাগতবাৱে চলি আহিলেও সমাজৰ ঐক্য শান্তি বিঘ্নিত কৰিব পৰা যুক্তিহীন নীতি-নিয়মবোৰ নাইকীয়া কৰিবই লাগিব। মই এই বিলাকৰ প্ৰতিবাদ কৰিম। প্ৰয়োজন হ' লে মই সত্ৰ এৰি গুচি যাম।" ৩

এখন শৃংখলাবদ্ধ, শান্তিপূৰ্ণ সমাজ গঠনৰ বাবে দয়ানন্দ চৰিত্ৰত নাট্যকাৰে একাগ্ৰতা আৰু প্ৰবল ইচ্ছাশক্তি আৰোপ কৰিছে।চাহ বাগানৰ মানুহখিনিক মালিকগোষ্ঠীয়ে যুগ যুগ ধৰি শোষণ কৰি আহিছে। বাগানৰ আগশাৰীৰ কৰ্মষ্ঠ ডেকাক প্ৰলোভনেৰে মেনেজাৰে হাত কৰি বাগানীয়ালোকৰ মাজত হাৰিয়া, চুলাই মদৰ প্ৰচুৰ প্ৰচলনেৰে সামাজিক বিশৃংখলতা, অৰ্থনৈতিক অনগ্ৰসতা, শিক্ষা-দীক্ষা সু-ব্যৱস্থা নকৰি এনে শ্ৰেণী লোকক শোষণ কৰি আহিছে। বাগানীয়া উচ্চ শিক্ষিতা ছোৱালী ৰাউদীয়ে এনে ব্যৱস্থাৰ পৰিৱৰ্তন বিচাৰে। নিয়মৰ চেঁপাত সিহঁত বন্দী। ৰাউদীৰ সংলাপত এনেদৰে প্ৰকাশ পাইছে -

"মানুহবোৰক ইমান মানা কৰো হাৰিয়া নাখাবি। ই মানুহক পাগল কৰে। জান ভকত প্ৰতিটো ৰাতি লাইনৰ পৰা লাইনলৈ চিঞৰ-বাখৰ, মাৰ-পিট, উত্তেজনা, মৃত্যুৰ কিৰিলি। কিন্তু নামানে। হাৰিয়া খোৱাৰ পিছত মানুহবোৰ পশুৰ নিছিনা হয়। গৰু-মহৰ নিচিনাকৈ ইটোৱে-সিটোৱে লগত যুঁজ লাগে। আমাৰ মানুহবিলাক এতিয়াও পশুৰদৰে জীয়াই আছে ভকত। আমাক ইয়াৰ পৰা উদ্ধাৰ কৰিব নোৱাৰনে ভকত?" ৪

সমাজৰ এনে পংকিলময় পৰিৱেশৰ পৰা পৰিত্ৰাণৰ কামনা কৰা ৰাউদীয়ে এখন শৃংখলাবদ্ধ, শান্তিপূৰ্ণ সমাজৰ কামনা কৰে।

**২.০২ ধৰ্মীয় দিশৰ প্ৰতিফলন ঃ** হৰেন শইকীয়াৰ নাটক 'সত্ৰযজ্ঞ' অসমৰ সত্ৰ সমাজৰ বৈষ্ণৱবাদৰ ধৰ্মীয় পৰিৱেশ আৰু সত্ৰ দাঁতিকাষৰীয়া অঞ্চলত খ্ৰীষ্ট ধৰ্মৰ প্ৰভাৱ সম্পৰ্কীয় পৰিৱেশৰ প্ৰতিফলন ঘটিছে। সত্ৰত অসময়ত ডবা বজোৱা, ভাওনা আখৰা কৰা নিয়মৰ বাহিৰ। বুঢ়াভকতে আতৈসকলক অসময়ত কাম কৰাৰ বাবে কৈছে -

"খালি খালি খালি হেৰৌ এইটো ভাওনাৰ আখৰাৰ সময় নেকি? প্ৰভুঈশ্বৰে সুধিলে মই কি বুলি কম। খোল, খোল এইবোৰ।" ৫

গোসাঁই মুখৰ এই সংলাপটোত সত্ৰৰ ভকতৰ পালনীয় নিয়ম-নীতি বহিপ্ৰকাশ দেখা যায় -

"সূৰ্য্য উদয়ৰ আগতে ভকতে শয্যা ত্যাগ কৰাটো যিমান গুৰুত্বপূৰ্ণ, সময়ৰ কাম সময়ত কৰাটো তাতোকৈ বেছি গুৰুত্বপূৰ্ণ। প্ৰসঙ্গৰ সময় হৈছে। তোমালোক আহা।" ৬

নাটকখনত দয়ানন্দৰ মুখেৰে গীৰ্জালৈ যোৱা অভিজ্ঞতা বৰ্ণনাত ধৰ্মীয় দিশৰ লগতে সামাজিক মূল্যবোধৰ দিশো প্ৰতিফলিত হৈছে। অসমীয়া সমাজ ব্যৱস্থাই জনজাতীয় বা বাগানীয়া মানুহখিনিক আকোঁৱালি ল' ব পৰা নাই বাবে তেওঁলোক গীৰ্জালৈ গৈছে বা ধৰ্মান্তৰ হৈছে। গীৰ্জাত সকলো মুকলি। সকলোৱে হাতত জ্বলাই লোৱা মমডাল সমতাৰ প্ৰতীক বুলি অনুভৱ কৰে দয়ানন্দই। গোসাঁয়ে গীৰ্জাত কি দেখিলি বুলি সোধাত দয়ানন্দই কৈছে -

"এটা দীঘল হল ঘৰ। এমূৰে যীশুখ্ৰীষ্টৰ মূৰ্ত্তি। আঁৰ-বেৰ একো নাই। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশ। কাৰো মুখত এটাও মাত নাই। কোনে কি পিন্ধি আহিছে কাৰো ভ্ৰুক্ষেপ নাই। মাত্ৰ সকলোৱে একোডাল মমবাতি জ্বলাই যীশুৰ চৰণত আশীৰ্বাদ বিচাৰিছিল। মই বহুত সময় ঠৰ লাগি চাই আছিলোঁ। তাৰ পিছত...." ৭

গোসাঁই ঈশ্বৰৰ সন্মতি সাপেক্ষে বাগানত নামঘৰ প্ৰতিষ্ঠা কামত দয়ানন্দ আগবাঢ়িল। ৰাউদী, চানীকাহঁতে নামঘৰ নিমাৰ্ণত হাতে-কামে লাগি গ' ল। বৈষ্ণৱ ধৰ্মৰ দীক্ষাৰেদীক্ষিত হ' বলৈ বাগানীয়া মানুহখিনি আগবাঢ়ি আহিল। তেওঁলোকৰ নানান সমস্যা আছে- শিক্ষাৰ অভাৱ, বিশুদ্ধ খোৱাপানীৰ অভাৱ, শৌচ-প্ৰসাবৰ সু-ব্যৱস্থা নাই, মাটিৰ পট্টা নাই, উচিত মজুৰি নাই, হাৰিয়া জাতীয় ৰাগিয়াল দ্ৰব্য সেৱনৰ প্ৰভাৱ নিৰ্মূল হোৱা নাই। এই সকলো সমস্যা সমাধানৰ উত্তৰ নামঘৰৰ মজিয়াত পোৱা যাব বুলি বাগানীয়া মানুহখিনিয়ে বিশ্বাস কৰে। নাটকত প্ৰতিফলিত বাগানীয়া মানুহখিনিৰ বাবে নামঘৰটো হৈছে সমাজ উত্তৰণৰ অন্যতম স্থল।

'সত্ৰযজ্ঞ' মানে কি প্ৰভুঈশ্বৰ বুলি বুঢ়াভকতে সোধাত গোসাঁইয়ে কৈছে-

"সত্ৰযজ্ঞ। যি যজ্ঞ দেৱতা আৰু বৈষ্ণৱৰ দ্বাৰা বন্দিত, যি যজ্ঞত দৈনন্দিন শ্ৰৱণ কীৰ্তনেৰে নৱবিধ ভক্তিৰ চৰ্চা সাধন হয়, যি যজ্ঞ অনন্ত কাললৈ চলি থাকে সেয়া সত্ৰযজ্ঞ। এই যজ্ঞৰ পৰাই সত্ৰ নামৰ উৎপত্তি হৈছে। গুৰু, দেৱ, নাম আৰু ভকত এই চাৰি বস্তুৰ মিলন তীৰ্থ এই সত্ৰ।" ৮

গোসাঁইৰ এই বক্তব্যৰ পৰা সত্ৰসমূহৰ ৰীতি-নীতি, পৰম্পৰা আৰু ভক্তি সাধনাৰ মাৰ্গসমূহ জানিব পাৰি। সত্ৰৰ নাম উৎপত্তি সম্পৰ্কে তথা বৈষ্ণৱ পৰম্পৰাৰ চাৰিবস্তু মিলনৰ সম্পৰ্কে নাট্যকাৰে আভাস দাঙি ধৰিছে। চাহ বাগানত সোণজিৰি সত্ৰৰ শাখা হিচাপে নামঘৰ প্ৰতিষ্ঠা হোৱাৰ পিছত বাতৰি কাকত আৰু দূৰদৰ্শনৰ যোগেৰে দয়ানন্দ আতৈৰ প্ৰকৃত পৰিচয়ক লৈ চৰ্চা চলিল। ডি.এন.এ.ৰ পৰীক্ষাত যেতিয়া দয়ানন্দ আতৈ নামনীৰ কোনোবা নিম্ন বংশৰ পৰিচয় ওলাল তেতিয়া গোসাঁইয়ে আতৈসকলক পানী চতিয়াই সত্ৰখন ধুই-পখালি নিকা কৰিবলৈ নিৰ্দেশ দিছে। ব্ৰহ্মপুত্ৰ দেৱতাক ফেনে-ফুটুকাৰে উফন্দি উঠি সত্ৰৰ ওপৰেৰে পাৰ হৈ সত্ৰখন নিকা কৰিবলৈ আহ্বান জনাইছে। দয়ানন্দক এৰিব নোৱাৰা বুঢ়াআতৈ হৰিধনকো সত্ৰ ত্যাগ কৰিবলৈ গোসাঁইয়ে নিৰ্দেশ দিছে। বুঢ়াভকতে গোসাঁইক এনে নিৰ্দয় সিদ্ধান্ত নলবলৈ আহ্বান জনোৱাত গোসাঁইয়ে কৈছে, তেওঁ আৱেগৰ বশৱৰ্তী হোৱা নাই। পূৰ্বৰ প্ৰভূঈশ্বৰসকলক সন্মান জনাই সত্ৰৰ পৰম্পৰা আৰু গৰিমা অক্ষুণ্ণ ৰাখিবলৈ এনে সিদ্ধান্ত গ্ৰহণ কৰিছে। এইখিনিতে উল্লেখনীয় দিশ হ'ল যে, সত্ৰৰ গোসাঁইয়ে ধন-টকা পইচাৰে শাখা সত্ৰ হিচাপে নামঘৰ প্ৰতিষ্ঠা কৰিবলৈ দয়ানন্দক সহযোগিতা আগবঢ়াইছে যদিও ধৰ্মীয় পৰম্পৰা আৰু জাত্যাভিমানৰ গ্ৰাসৰ পৰা মুক্ত হোৱা দেখা নগ'ল।

**২.০৩ সত্ৰযজ্ঞ নাটকত সাংস্কৃতিক দিশ ঃ** নাটকখনিত সত্ৰৰ সাংস্কৃতিক দিশৰ প্ৰতিফলন সুন্দৰ ৰূপত নাট্যকাৰে চিত্ৰিত কৰিছে। নাটখনিত প্ৰথম দৃশ্যত কাল্পনিক ৰূপত সমুদ্ৰ মন্থনৰ আৰম্ভণিৰে ভাওনা আখৰাৰ পৰিৱেশ, নামঘৰৰ বাটচ'ৰা, অগ্নিগড় প্ৰস্তুত, চৰিত্ৰ অনুযায়ী ভাওনা আখৰাত মুখা ব্যৱহাৰ আদিয়ে সাংস্কৃতিক চিন্তা-চেতনাৰে সত্ৰৰ পৰিৱেশ তৈয়াৰ কৰিবলৈ প্ৰয়াস কৰিছে। ঠিক সেইদৰে পঞ্চম দৃশ্যত ভাওনা আখৰাৰ পৰিৱেশ, বাপুকণ আতৈৰ চালি নাচ, জুমুৰা, নাদুভঙ্গীত ফেচবুক পেজত অনুৰাগীয়ে লাইক কৰা কথোপকথনৰ জৰিয়তে সত্ৰত প্ৰচলিত শংকৰদেৱৰ সৃষ্ট নাট-ভাওনা পৰিৱেশন, বিভিন্ন সত্ৰীয়া নৃত্য-বাদ্য চৰ্চাৰ আভাস নাট্যকাৰে দাঙি ধৰিছে। নাটখনত চতুৰ্থ দৃশ্যত বাগানৰ কুলি লাইনৰ ৰাউদীসহঁতৰ ঘৰৰ চোতালত মাদলৰ চেওত বাগানীয়া ল'ৰা-ছোৱালীবোৰ ঝুমুৰৰ আখৰা কৰিছে। তেওঁলোকে ঝুমুৰ নাচৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। নাট্যকাৰে অসমীয়া সংস্কৃতিক বৰ্ণিল কৰা চাহ বাগানীয়াসকলৰ সাংস্কৃতিক উপাদান নাটখনিত সন্নিবিষ্ট কৰিছে।

**৩.০০ সামাজিক সংঘাত ঃ**

হৰেন শইকীয়াৰ 'সত্ৰযজ্ঞ' নাটখনিত আদৰ্শগত দিশত দুই-এটা সামাজিক সংঘাতো পৰিলক্ষিত হয়। পঞ্চম দৃশ্যত বুঢ়াভকত, গোসাঁই আৰু দয়ানন্দৰ কথোপকথনত মদৰ

ৰাগীত মাতাল হোৱা বাগানৰ লাইনৰ কিছুলোকৰ আসুৰিক স্বভাৱৰ কথা গোসাঁইয়ে সকীয়াই দিয়াত দয়ানন্দই সেইসকল লোকক তেনে চূড়ান্ত পৰ্যায়লৈ যাবলৈ সমাজৰ এচাম সুবিধাবাদীলোকে পৰোচিত কৰিছে বুলি দাবী কৰে। তেওঁলোকৰ ষড়যন্ত্ৰৰ বলি হৈ সঘনাই বাগানত অপ্ৰীতিকৰ পৰিৱেশ সৃষ্টি কৰে বুলি দয়ানন্দই ক’ ব খোজে। বাগানীয়া মানুহখিনি মনৰ পৰা নিচাযুক্ত দ্ৰব্য সেৱনৰ অভ্যাস আঁতৰাব পাৰিলে তেওঁলোকৰ জীৱনলৈ পৰিৱৰ্তন আহিব বুলি দয়ানন্দই বিশ্বাস কৰে। আনহাতে বাগানত নামঘৰ প্ৰতিষ্ঠা কৰাটো বাগানৰ মালিক অথবা মেনেজাৰে নিবিচাৰে। মাৰিয়াৰ জৰিয়তে মেনেজাৰে দয়ানন্দক সহাযোগিতা আগবঢ়োৱা বাগানৰ ডেকা-গাভৰুসকলক বাধা প্ৰদান কৰে। কিন্তু দয়ানন্দক সহযোগিতা কৰা বাগানীয়া লোকসকলে মাৰিয়াক সহজভাৱে লোৱা নাই। তেওঁলোকৰ মাজত আদৰ্শগত সংঘাত সৃষ্টি হৈছে। এই সংঘাতৰ আভাস নাট্যকাৰে ষষ্ঠ দৃশ্যত সুন্দৰভাৱে দাঙি ধৰিছে। অষ্টম দৃশ্যত নাট্যকাৰে মাৰিয়া চৰিত্ৰটোৰ মানসিক উত্তৰণ ঘটাই দয়ানন্দই প্ৰতিষ্ঠা কৰা সত্ৰযজ্ঞলৈ আনিছে। ইয়াত মাৰিয়াই বাগানৰ মেনেজাৰে কেনেকৈ টকাৰ প্ৰলোভন দি বিষাক্ত মাদক দ্ৰব্য বাগানীয়া লোকসকলক সেৱন কৰাইছিল তাক অকপটে স্বীকাৰ কৰিছে। নামঘৰটো বনাই থাকোতে দুটা খুটা ভঙা, নামঘৰৰ চাৰিওফালে ৰোৱা গছপুলি কটা এই কামবোৰ বাগানৰ মালিকৰ নিৰ্দেশত মাৰিয়াই কৰিছিল। আনকি নামঘৰ সঁজা বন্ধ কৰিব নোৱাৰা,বাগানৰ মানুহে হাৰিয়া খাবলৈ এৰাত মালিকে তাক চাকৰিৰ পৰা খেদাইছে। মাৰিয়াই টাউনত সঁজা ঘৰটোৰ কাগজ-পত্ৰ যে মালিকৰ নামত আছিল মাৰিয়াই গমেই নাপালে। এনে মানসিক সংঘাতৰ পৰা পৰিত্ৰাণ বিচাৰি মাৰিয়াই নিজৰ মানুহখিনিৰ আশ্ৰয় বিচাৰি নামঘৰত উপস্থিত হৈছে। নাট্যকাৰে মাৰিয়া চৰিত্ৰটোৰ মানসিক পৰিৱৰ্তনেৰে সমাজলৈ পৰিৱৰ্তন অহাৰ ইংগিত প্ৰদান কৰিছে।

**৪.০০ ফলাফল** ঃ

হৰেন শইকীয়াৰ ‘সত্ৰযজ্ঞ’ নাটকখনিত চাহ বাগানীয়াসকলৰ সমাজ জীৱনৰ ভালেমান দিশ প্ৰতিপলিত হৈছে। বাগানৰ বনুৱাসকলে হাৰিয়া, চুলাই মদ আদি মাদক দ্ৰব্য সেৱন আৰু মালিকপক্ষৰ প্ৰলোভনত কেনেদৰে সমাজ জীৱনলৈ অন্ধকাৰ নমাই আনে এই দিশসমূহৰ সুক্ষ্ম বিশ্লেষণ পোৱা যায়। তেওঁলোকৰ জীৱনৰ দুখ-দুৰ্দশা, শোষক-শোষিতৰ দ্বন্দ্ব, শৈক্ষিক অনগ্ৰসতা, নিম্ন ৰুচিসম্পন্ন জীৱন ধাৰণ প্ৰক্ৰিয়া, স্বাস্থ্যৰ প্ৰতি অসচেতনতা, ভূমি অধিকাৰপৰা বঞ্চিত ইত্যাদি দিশৰ বাস্তৱ চিত্ৰ প্ৰকাশ পাইছে।

শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰা সত্ৰৰ যি বিশাল ভাবাদৰ্শ সেয়া সাম্প্ৰতিক সময়ত সংকোচন হোৱা দিশটো নাট্যকাৰে প্ৰকট কৰিছে। সত্ৰত সৃষ্টি হোৱা ভিন্ন সংহতি, ভিন্ন পন্থৰ দ্বাৰা বিভিন্ন জাতি-জনগোষ্ঠীক ভাগ ভাগ কৰা দিশটো নাট্যকাৰে দাঙি ধৰিছে। গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, ভোটৰ দামোদৰ, কছাৰীৰ ৰামাই, নগাৰ নৰোত্তম, যৱনৰ চান্দসাই, বনিয়াৰ হৰিদাস, কৈৱৰ্ত্তৰ পূৰ্ণানন্দক শংকৰদেৱে একশৰণৰ তলত গোট খোৱাই যি সত্ৰযজ্ঞ পাতিছিল সেই আদৰ্শৰে সমাজ গঠনৰ পোষকতা কৰি নাট্যকৰে নাটখনিৰ জৰিয়তে সূক্ষ্মভাৱে চিত্ৰিত কৰিব বিচাৰিছে। এনে মূল্যবোধেৰে এক সাম্যবাদী

সমাজ গঠনৰ অন্যতম অংগ হিচাপে সোণজিৰি সত্ৰৰ নামঘৰভাগিক নাট্যকাৰে প্ৰতীকি অৰ্থৰে বহন কৰিছে।

**৫.০০ সামগ্ৰিক সিদ্ধান্ত ঃ**

হৰেন শইকীয়াৰ পূৰ্ণাঙ্গ নাটক ‘সত্ৰযজ্ঞ’ নাটকখনিত এটি বিশ্লেষণাত্মক আলোচনা শীৰ্ষক বিষয়টি অধ্যয়নৰ জৰিয়তে তলৰ সিদ্ধান্তসমূহত উপনীত হ’ ব পাৰি।

(ক) নাটকখনিৰ জৰিয়তে অসমৰ সত্ৰ সমাজ আৰু চাহ বাগানীয়া লোকসকলৰ জীৱন যাত্ৰা আৰু সামাজিক দিশৰ ৰেখাংকণ কৰা হৈছে।

(খ) নাটকখনৰ জৰিয়তে নাট্যকাৰৰ ব্যক্তিগত অভিজ্ঞতাৰ আধাৰত চাহ বনুৱোসকলৰ মনৰ অভিব্যক্তি সম্পৰ্কে জানিব পাৰি।

(গ) নাটকখনত সত্ৰ সমাজৰ সামাজিক দায়বদ্ধতা, নিত্য-নৈমিত্তিক ৰীতি-নীতি আৰু পৰম্পৰা বাস্তৱধৰ্মী ৰূপত প্ৰতিফলিত হৈছে।

(ঘ) নাটকখনিৰ জৰিয়তে চাহ বাগনৰ মালিক আৰু মেনেজাৰসকলৰ শোষণ-উৎপীড়নৰ তীব্ৰতা সম্যকভাৱে চিত্ৰিত হৈছে। সমান্তৰালভাৱে চাহ বাগানীয়া সমাজৰ ৰীতি-নীতি, পৰম্পৰা, নৃত্য-গীত, মুক্ত জীৱন আৰু সাংস্কৃতিক মনৰ আভাস পোৱা যায়।

(ঙ) নাটকখনিৰ জৰিয়তে নাট্যকাৰে সমাজ ব্যৱস্থাৰ অন্ধকাৰচ্ছন্ন দিশসমূহ দাঙি ধৰি এক শোষণবিহীন,সাম্যভাবাদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত সমাজ গঠনৰ পোষকতা কৰিছে।

**৬.০০ সামৰণি ঃ**

সত্ৰযজ্ঞ নাটকখনিত প্ৰৱল আশাবাদৰ ৰেঙণি দেখা যায়। নাট্যকাৰে সমাজখন সলনি হ’ ব বুলি মনে-প্ৰাণে বিশ্বাস কৰে। ব্ৰহ্ম সংহতি, নিকা সংহতি, পুৰুষ সংহতি, কাল সংহতিৰ সকলো গুৰুকে আমন্ত্ৰণ কৰি সকলোৱে একেলগে ঈশ্বৰ প্ৰিয়কাৰ্য নৱবিধ ভক্তি শ্ৰৱণ কীৰ্তনেৰে অন্তকাললৈ সমাজৰ ধৰণী হৈ সত্ৰযজ্ঞ জিলিকি থাকাটো নাট্যকাৰে বিচাৰে। সত্ৰৰ গোসাঁইসকলে সমাজত সাম্যবাদ প্ৰতিষ্ঠা কৰাত গুৰুদায়িত্ব বহন কৰাটো নাট্যকাৰে আশা কৰে। শ্ৰীমন্ত শংকৰদেৱৰ প্ৰকৃত আদৰ্শৰে সাম্প্ৰতিক সময়ত থৰক-বৰক হ’ ব খোজা অসমৰ বৰভেটিটো শক্তিশালী কৰি তুলিবলৈ নাটকখনিৰ জৰিয়তে নাট্যকাৰে সমাজলৈ আহ্বান জনাইছে। নাটকখনে সমাজত শ্ৰীমন্ত শংকৰদেৱৰ বিজ্ঞানভিত্তিক আদৰ্শক আগুৱাই নিয়াত সমল যোগাব।

**অন্তটীকা ঃ**

১। শইকীয়া, হৰেন. *হৰেন শইকীয়াৰ নিৰ্বাচিত নাটক দেৱদাসী, দেওশাল আৰু অন্যান্য,* ইংগিত ঘিলামৰা, ২০১৯, দ্বিতীয় দৃশ্য, পৃষ্ঠা- ৪৮ ।
২। প্ৰাগুক্ত গ্ৰন্থ, দ্বিতীয় দৃশ্য, পৃষ্ঠা - ৪৯।
৩। প্ৰাগুক্ত গ্ৰন্থ, প্ৰথম দৃশ্য, পৃষ্ঠা - ৩৯, ৪০।
৪। প্ৰাগুক্ত গ্ৰন্থ, দ্বিতীয় দৃশ্য, পৃষ্ঠা - ৪৪।
৫। প্ৰাগুক্ত গ্ৰন্থ, প্ৰথম দৃশ্য, পৃষ্ঠা - ৩৬।
৬। প্ৰাগুক্ত গ্ৰন্থ, প্ৰথম দৃশ্য, পৃষ্ঠা - ৩৮।
৭। প্ৰাগুক্ত গ্ৰন্থ, তৃতীয় দৃশ্য, পৃষ্ঠা - ৪৯।
৮। প্ৰাগুক্ত গ্ৰন্থ, সপ্তম দৃশ্য, পৃষ্ঠা – ৬৮,৬৯।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। শইকীয়া, হৰেন. *হৰেন শইকীয়াৰ নিৰ্বাচিত নাটক দেৱদাসী, দেওশাল আৰু অন্যান্য,* ইংগিত ঘিলামৰা, ২০১৯।
২। গগৈ, যোগানন্দ, দাস, ড০ নৰেন চন্দ্ৰ (সম্পা.) *নাট্যপ্ৰজ্ঞা, হৰেন শইকীয়া নাটক আৰু ব্যক্তিত্ব,* ইংগিত, ঘিলামৰা, ২০২৫।